# Telephone Conversation between PM and President of the State of Palestine

April 14, 2020

# প্ৰধানমন্ত্ৰী আৰু পেলেষ্টাইনৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 14, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি টেলিফোনযোগে পেলেষ্টাইনৰ ৰাষ্ট্ৰপতি মাননীয় শ্ৰী মেহমুদ আব্বাচৰ সৈতে বাৰ্তালাপত মিলিত হয়।

প্ৰধানমন্ত্ৰী মোডীয়ে আগন্তুক পবিত্ৰ ৰমজান মাহৰ বাবে ৰজা আৰু পেলেষ্টাইনৰ সকলো লোকলৈ শুভকামনা জ্ঞাপন কৰে।

দুয়োগৰাকী নেতাই কভিড–19 মহামাৰীৰ কাৰণে বিশ্বত দেখা দিয়া প্ৰত্যাহ্বানসমূহ আৰু লগতে ইয়াৰ প্ৰভাৱ কম কৰিবৰ কাৰণে পৰস্পৰ দেশে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে পেলেষ্টাইনৰ প্ৰশাসনে ভাইৰাছবিধৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবৰ বাবে গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰে আৰু ভাৰতৰ তৰফৰ পৰা যথাসম্ভৱ সাহায্য প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে।

দুয়োগৰাকী নেতাই এই প্ৰত্যাহ্বানৰ সময়ছোৱাত পৰস্পৰে পৰস্পৰক যথাসম্ভৱ সহযোগিতা আগবঢ়াব বুলি সহমত পোষণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 14, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.